RNI title code - ASSASS01414

# সভ্যতা সমাজ

সংস্কৃতি-ইতিহাসমূলক সাময়িকী



# অসমত ইতিহাস চর্চা

(প্রথম পর্ব)




দাম ঃ ১০০.০০ টকা

**পাকিস্তান ঘূৰি আহিলোঁ**

মূল ঃ শকুন্তল সেনৰ
অনুবাদ ঃ ড° সুনীল পবন বৰুৱা

কলিকতাৰপৰা প্ৰকাশিত সাপ্তাহিক বাৰ্তালোচনী 'কম্পাছ'ৰ সম্পাদক পান্নালাল দাসগুপ্তই ছদ্মৱেশত এগৰাকী সাংবাদিক পাকিস্তানলৈ পঠোৱাৰ কথা চিন্তা কৰিছিল। উদ্দেশ্য ১৯৬৪ চনৰ জানুৱাৰী মাহত পূব-পাকিস্তানত সৃষ্টি হোৱা ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষ (দাংগা)ৰ প্ৰকৃত খবৰ সংগ্ৰহ কৰা। পৰৱৰ্তী সময়ত 'কম্পাছ'ৰ এগৰাকী তৰুণ সাংবাদিক গোপনে পূব-পাকিস্তানলৈ যাবলৈ আগবাঢ়ি আহিল। সেই সময়ৰ পাকিস্তানৰ পৰিৱেশ আছিল অতি ভয়ানক। প্ৰতি মুহূৰ্ততে প্ৰাণৰ সংশয়। এগৰাকী দায়বদ্ধ সাংবাদিক হিচাপে প্ৰাণৰ মায়াকো ক্ষুদ্ৰ বুলি বিবেচিত কৰি গোপন পৰিচয়েৰে তেওঁ পাকিস্তানলৈ ৰাওনা হ'ল। পাকিস্তান ভ্ৰমণৰ প্ৰত্যক্ষ অভিজ্ঞতা লগত লৈ সাহসী সাংবাদিকগৰাকী সুকলমে দেশলৈ উভতি আহিল। পিছত সাংবাদিকগৰাকীয়ে প্ৰস্তুত কৰা ৰিপ'ৰ্টৰ ভিত্তিতে প্ৰকাশ পাইছিল 'পাকিস্তান ঘূৰে এলাম' নামৰ এখন সৰু পুস্তিকা। মূল বাংলাৰপৰা কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে ড° সুনীল পবন বৰুৱাই **পাকিস্তান ঘূৰি আহিলোঁ** নামেৰে।




এগৰাকী সংস্কৃত অনুৰাগীৰ আত্মজীৱনী

**সংস্কৃতৰ সমুদ্ৰত অৱগাহন**

ড° চাৰহাৰউদ্দিন আহমেদৰ
দাম ঃ ২৫০.০০ টকা

প্ৰকাশক - বহু-আনন্দ
টি এম ৰোড, মাৰোৱাৰীপট্টি, নগাঁও-৭৮২০০১, ফোন ঃ ৯৪৩৫৭ ৬৯৬৮৫
চানৰাইজ প্লাজা, ফ্লেট নং - ২বি, কৈলাস নগৰ, বাণীপুৰ পথ,
বেলতলা, গুৱাহাটী - ৭৮১০২৮, ফোন ঃ ৭০০২১ ৫৪৫৪৩

# বিষয়-সূচী

৯ সম্পাদকীয়
অসমত ইতিহাস চৰ্চা

১১ অসমত ইতিহাস চৰ্চাত প্ৰভাৱ পেলোৱা উপাদানসমূহ
■ ড° বিপুল কুমাৰ ৰাভা

২২ একবিংশ শতিকাৰ নতুন মানৱ সভ্যতাৰ ৰূপৰেখা
■ সঞ্জীৱ সভাপণ্ডিত

৩৪ সভ্যতাৰ খোজ, ধৰ্ম, ইছলাম, অসম
■ মছউদুল হক

৫২ ভাৰতীয় গণতন্ত্ৰৰ প্ৰেক্ষাপটত অসমীয়া জাতি
■ ৰূপক বৰুৱা

৮২ অসমীয়া সামন্তবাদৰ পৰা মধ্যবিত্তলৈ ঃ পাত্ৰ দুটাহে মাথোঁ সলনি হ'ল
■ যতীন বৰা

১১৪ অঙ্কক্ষত অসমীয়া
■ চফিকুল হক

১২৪ ড° অমলেন্দু গুহৰ ইতিহাস চৰ্চা
■ ড° ৰমেশ চন্দ্ৰ কলিতা

১৫৭ আহোম ৰাজত্বত মুছলমানৰ ভূমিকা
■ মুহিউদ্দিন আহমেদ

১৭৮ অসমৰ লোকপিয়লত অসমৰ চাহ-শ্ৰমিক সম্পৰ্কীয় তথ্য আৰু চাহ-শ্ৰমিকৰ পৰা পৰিৱৰ্তিত শ্ৰেণীলৈ ৰূপান্তৰিত লোকসকল ঃ এক চমু আলোচনা
■ সঞ্জয় কুমাৰ তাঁতী

২০০ মৰাণ, মটক আৰু মোৱামৰীয়া প্ৰসংগত
■ যতীন মৰাণ
২০৮ অসমৰ ছাত্ৰ-ৰাজনীতিৰ পটভূমি আৰু গতিপথ
■ অলকেশ শইকীয়া, শৰৎ গগৈ
২২৫ অসমৰ সাম্যবাদী আন্দোলনৰ উত্থান আৰু বিপৰ্যয়ৰ আঁৰত
■ দ্বিজেন বৰ্মন
২৩২ গ্ৰাম্য অৰ্থনীতিৰ পটভূমি ঃ অতীত-বৰ্তমান-ভৱিষ্যৎ
■ ঈশান কুমাৰ বৰা
২৫০ জাতীয়তাবাদ আৰু ইতিহাস সম্পৰ্কে ৰোমিলা থাপাৰৰ চিন্তা
■ প্ৰদীপ শইকীয়া
২৫৭ ভাৰততীৰ্থ ঃ সহমত, সহিষ্ণুতা আৰু ধৰ্মনিৰপেক্ষতাৰ এটি ঐতিহাসিক আলোকপাত
■ মূল ঃ আমিনুল ইছলাম
❖ অনুবাদ ঃ প্ৰত্যুষ ৰঞ্জন ভাগৱতী
৩৬২ অসমৰ ব্যক্তিগত সম্পত্তিৰ অসমাপ্ত প্ৰকল্প
■ মূল ঃ বসুন্ধৰা জয়ৰথ
❖ অনুবাদ ঃ নয়ন জ্যোতি ভূঞা
৩৭৯ অসমৰ ইতিহাস আৰু প্ৰত্নলিপি
■ ভাস্কৰ বৰদলৈ
৪০২ অসমত পুথিভঁৰাল আন্দোলন, পাঠক নিৰ্মাণ আৰু সম্ভাৱনা
■ দিপক বৰা
৪১৪ অসমীয়া বিজ্ঞান-সাহিত্য
■ ক্ষীৰধৰ বৰুৱা
৪৪৬ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি
■ ড° চিত্ৰজিৎ শইকীয়া
৪৫৯ কালবিৱৰ্তনত অসমীয়া নাৰী ঃ এটি আলোচনা
■ ড° সুনীতা শৰ্মা

### সম্পাদকীয়

## অসমত ইতিহাস চৰ্চা

গম্ভীৰ বিষয় কিন্তু আমনিদায়ক নহয়। ৰং, ৰস, গহীনতা, তথ্য, যুদ্ধ আৰু শান্তি, ৰোগ আৰু চিকিৎসা, আৱিষ্কাৰ আদি কথাবোৰ ইতিহাসে সামৰি লয়। অসমৰ ইতিহাসো উক্ত বিষয়ৰ পৰা পৃথক নহয়। ইতিহাসবিদসকলে বা বিজ্ঞজনে এই বিষয়ত কোৱা কথা দুটামান উদ্ধৃত নকৰিলে বিষয়টোৰ গুৰুত্ব কিমান বুজা নেযাব। কবি যতীন্দ্ৰনাথ দুৱৰাই কৈছিল— "অতীতক নেযাবা পাহৰি।" অতীতক পাহৰা মানে আমি আমাৰ মূলক নাকচ কৰা। ৰুছ বিপ্লৱৰ এজন অন্যতম নেতা লিয় ট্ৰটস্কীয়ে কৈছিল যে যুদ্ধ হৈছে ইতিহাসৰ ইঞ্জিন। বুৰঞ্জীৰ পাতে পাতে সেই কথা লিখা আছে। বুৰঞ্জীৰ পৰাই জানো যে শান্তিৰ সময়খিনিত আচলতে শত্ৰু বা মিত্ৰই পৰৱৰ্তী যুদ্ধৰ বাবে প্ৰস্তুতিহে চলাই।

আকৌ আন এজন মহান চিন্তাবিদ মাৰ্ক্সৰ বন্ধু ফ্ৰেডেৰিক এঙ্গেলছে কৈছিল— "All history has been a history of class struggles between dominated classes at various stages of social development." (ভাব অনুবাদ ঃ সকলো বুৰঞ্জীয়েই হৈছে বিকাশমান বিভিন্ন স্তৰত প্ৰভাৱশালী শ্ৰেণীৰ মাজত চলা শ্ৰেণী-সংঘাতৰ বুৰঞ্জী।) এঙ্গেলছৰ কথাখিনি সমৰ্থন নকৰাকৈ থাকিব পাৰিনে? অসম বুৰঞ্জীলৈ চালেই এঙ্গেলছৰ কথাখিনি ধৰা পৰে। সভ্যতাৰ লেখকসকলৰ লেখনিয়েও উক্ত কথা পৰিষ্কাৰ কৰিছে। এঙ্গেলছে আৰু এযাৰ বৰ উপযোগী কথা কৈছে— "History has long enough been merged in superstition, we now